হল। বহু যুগৰ অন্তত ইয়াৰ ওপৰতেই আকৌ নতুন সভ্যতা গঢ়ি উঠিল। এই সকলো বিলাক কাহিনী হয়তু পাচৰ যুগৰ ভূতত্ত্ববিদ। সকলে উদ্‌ঘাটন কৰিব।

আৰ্য্য সকল সিন্ধু উপত্যাকাৰ সভ্যতাৰ প্ৰায় হাজাৰ বছৰৰ পাচত আহি বসতি কৰেহি। হয়তো দ্ৰাভিদিয়ান আৰু আৰ্য সকলৰ সংমিশ্ৰণতেই সিন্ধু উপত্যাকাৰ সভ্যতা গঢ়ি উঠে। ইয়াৰ পাচত বছৰে বছৰে ভাৰতলৈ ইৰানীয়ান, গ্ৰীক, পাৰচীয়ান, বেকট্ৰিয়ান নিজ নিজ ধৰ্ম্ম লৈ ভাৰতত বসতি কৰেহি।

ভাৰতে সকলো জাতিকেই আদৰি লোৱাৰ এই মহৎ গুণ আছে। মুছলমান্ সকল ভাৰতলৈ আহি এই মহৎ গুণৰ বাবে মুগ্ধ হৈ ইয়াতেই বৈ গল। আৰু আনকি হিন্দুধৰ্ম্মও গ্ৰহণ কৰিলে।

## "হিন্দুধৰ্ম্ম কি ?"

ভিনচীন স্মিথে তেওঁৰ বিবৰণীত দুটা শব্দ লিখিছে—"হিন্দু-ই-জম্" আৰু হিন্দু-ই-জদ। অষ্টাদশ শতিকাত তান্ত্ৰিক নামৰ এখন পুথিত "হিন্দু" শব্দ ব্যৱহাৰ কৰিছে! হিন্দু মানে এটা শ্ৰেণী মানুহক বুজাইছে, ধৰ্ম্ম বুজোৱা নাই। "হিন্দু" শব্দ অতি পুৰণি শব্দ। পাৰ্চী আৰু আবেস্টত ইয়াৰ প্ৰচলন আছে। হাজাৰ হাজাৰ বছৰৰ আগেয়ে এই শব্দ ব্যৱহাৰ হৈছিল। মধ্য এচিয়াৰ মানুহে ভাৰতৰ সলনি এই শব্দ ব্যৱহাৰ কৰিছিল। নতুবা সিন্ধু নদীৰ পাৰত বসতি কৰাৰ কাৰণেই হিন্দু বুলিছিল। হিন্দু শব্দ পৰিস্কাৰ ভাবে সিন্ধুৰ পৰা আহিছে। সিন্ধুৱেই হিন্দু আৰু হিন্দুস্থান নামে অভিহিত হল। ইন্দাচৰ পৰা ইণ্ডিয়া হৈছে।

পৌৰাণিক ভাৰতৰ ধৰ্ম্ম আছিল আৰ্যধৰ্ম্ম। ধৰ্ম্ম শব্দই প্ৰকৃততে ধৰ্ম্মত কৈয়ো আন কথা বুজায়। ধৰ্ম্ম শব্দৰ মূল অৰ্থ একেলগে ধৰি ৰখা। ই নিবিড় অন্তঃ স্থলৰ কথা। নিয়মৰ সাধাৰণ বোধ। মন

ন্যায় আৰু মানুহৰ সকলো কামৰ দায়িত্বক বুজায়। আর্য ধৰ্ম্মই ভাৰতত উৎপত্তি হোৱা সকলো মানসিক চিন্তাকে বুজায়। বৈদিক ধৰ্ম্মই বেদৰ সকলো বিশ্বাসক বুজায়।

সনাতন ধৰ্ম্ম অতীজৰ ধৰ্ম্ম। এই ধৰ্ম্ম বৌদ্ধ আৰু জৈন্য ধৰ্ম্মৰ লগত মিলাব পাৰি। যদিও বৌদ্ধ ধৰ্ম্ম আৰু জৈন্য ধৰ্ম্ম হিন্দুধৰ্ম্মৰ পৰা অহা নাই তথাপি দৰ্শন চৰ্চ্চা আৰু নীতি নিয়মত হিন্দু ধৰ্ম্মৰ লগত ওতঃপ্ৰেতঃ ভাবে জড়িত।

পাচৰ যুগত ইচলাম ধৰ্ম্মই ভাৰতত প্ৰাধান্য লাভ কৰিছিল যদিও মনে চিতে ভাৰতীয় হৈ ৰল।

বিশ্বাসযোগ্য মতে হিন্দু ধৰ্ম্ম বহুমুখী। যিয়েই যিভাবে লয় সিয়েই। ইয়াক ব্যাখ্যা কৰিব নোৱাৰি। এইটো ধৰ্ম্মইনে কি তাকো সঠিকভাবে কব নোৱাৰি। বৰ্ত্তমান যি অৱস্থাত আছে ই অতীততো আছিল। সকলো তথ্য আৰু অভ্যাস আৰু সকলো প্ৰাণীয়েই আকোৱালি আছে। কেতিয়াবা কোনো তথ্যৰ অমিল হয়। মূলতথ্য জীয়াই ৰখাটোৱেই ইয়াৰ উদ্দেশ্য। মহাত্মা গান্ধীয়ে ইয়াৰ সত্যতা ব্যাখ্যা—কৰিবলৈ যত্ন কৰিছিল। তেওঁ কৈছিল হিন্দুধৰ্ম্মৰ প্ৰকৃত ব্যাখ্যা কোনোৱে যদি বিচাৰে তেন্তে সেই ব্যাখ্যা 'অহিংসাৰ উপায়ে সত্যৰ অন্বেষণ" কৰাক বুজাব। এজন মানুহে ঈশ্বৰৰ বিশ্বাস নকৰিব পাৰে তথাপিও তেওঁ হিন্দু ধৰ্ম্ম সত্যৰ অন্বেষণৰ পথত নিবিড়ভাবে জড়িত। সত্যই হৈছে হিন্দু ধৰ্ম্ম। সত্যই ঈশ্বৰ। ঈশ্বৰ নোহোৱাতো আমি কব পাৰো কিন্তু সত্যক আমি নোহোৱা কৰিব নোৱাৰো! সত্য আৰু অহিংসাই গান্ধীজিৰ মতে হিন্দু ধৰ্ম্ম। হিন্দু ধৰ্ম্ম কেৱল ভাৰতবাসীৰ কাৰণেই বুলি কোৱা কথাটো ভুল হব। খৃষ্টিয়ান, মুছলমান ধৰ্ম্মাৱলম্বী লোকেও ভাৰতীয় আচাৰ নীতি লৈ ভাৰতীয় হৈ ভাৰতত বসতি কৰিব পাৰে।

শুদ্ধ ইণ্ডিয়ান শব্দ হৈছে হিন্দী। এই শব্দ হিন্দুস্থানৰ পৰা আহিছে।

পশ্চিম এচিয়া দেশ সমূহত, ইৰাণ, তুৰ্ক, আফগানিস্থান ইজীপ্ত আৰু আন দেশত ভাৰতক "হিন্দ" বুলিছিল আৰু ভাৰতবাসীক হিন্দী বুলিছিল। "হিন্দী" শব্দৰ ধৰ্ম্মৰ লগত কোনো সম্বন্ধ নাই। এজন ভাৰতীয় মুছলমান বা খৃষ্টিয়ানকৈ হিন্দী বুলিয়েই বিদেশত ব্যৱহাৰ কৰিছিল। আমেৰিকান সকলে সকলো ভাৰতীয়কে "হিন্দুজ" বুলি কয়। দুৰ্ভাগ্যৱশতঃ এই হিন্দী শব্দ সংস্কৃত দেৱনাগিৰিৰ লগত মিহলি হৈ প্ৰাকৃতিক আৰু মহান্ তথ্য বুজাত টান হৈ পৰিল। আজিকালি "হিন্দুস্থানী" শব্দ ভাৰতীয়ৰ কাৰণে ব্যৱহাৰ হয়। এই শব্দ "হিন্দুস্থানৰ" পৰা আহিছে। এইটো মুখৰ কথাহে। ইয়াৰ ইতিবৃত্তি "হিন্দু" শব্দৰ দৰে কতো পোৱা নাযায়।

ইণ্ডিয়ান্ "হিন্দী" বা হিন্দুস্থানী যি শব্দই আমি আমাৰ জীৱন ধাৰাত ব্যৱহাৰ কৰো সকলো হিন্দু দৰ্শনৰ তথ্যৰ পৰাই ওলাইছে। আনদেশৰ আচাৰ ব্যৱহাৰৰ লগত ই একেবাৰেই অমিল।

## "পৌৰাণিক লিখন আৰু লিখিত বৃত্তান্ত"

সিন্ধু উপত্যাকাৰ সভ্যতা আবিষ্কাৰ হোৱাৰ আগেয়ে সম্ভৱত শিক্ষা আৰু চৰ্চ্চাৰ কেন্দ্ৰ ভাৰতত "বেদেই" আছিল। এই বিষয়ে বহু মতভেদ আছে। ইউৰোপীয় লিখকৰ মতে "বেদ" পাচ পৰে আৰু ভাৰতীয় লিখাকৰে যে বেদক আগতে দেখাই ই সঁচাকৈয়েই মন কৰিব লগীয়া। কাৰণ অতীত ভাৰতৰ চৰ্চ্চাৰ ওপৰত বেদে প্ৰাধান্য বিস্তাৰ কৰিছে। প্ৰফেচাৰ উইন্টাৰে নিজৰ মতে বেদীক যুগৰ আৰম্ভনৰ সময় খৃঃ পূঃ ২০০০ বা তাতোকৈ অধিক ২৫০০ বছৰক বুজায়। সাৰ্ব্বসাধাৰণতে পণ্ডিত সকলৰ মতে ঋক বেদৰ সময় খৃঃ পূঃ ১৫০০। এই সময়তেই মহেঞ্জদাৰোৰ ভগ্ন অংশ বিশেষ খান্দি উলিওৱা হয়। ভাৰতীয় শিলত কটা মূৰ্ত্তিৰ সময় ইয়াৰো পাচত বুজায়। যি সময়কেই উল্লেখ নকৰক এইটো থিক যে ভাৰতীয় সাহিত্য আৰু অনুশীলন গ্ৰীচ আৰু ইজৰাইলৰ বহু আগৰ আছিল। মেক্সমিলাৰৰ মতে প্ৰথমে মানুহৰ উচ্চাৰণ কৰা শব্দটো হৈছে আৰ্য্য মানুহৰ।

বেদৰ জন্ম হল আৰ্য্যসকল ভাৰতৰ চহকী মাটিলৈ অহাত। এই আৰ্য্যসকলে তেওঁলোকৰ লগত নিজ আদৰ্শ আৰু মত আনে। আৰু তেওঁলোকৰ এইমত ইৰাণ আৰু আবেষ্টাতো দাঙ্গি ধৰে। ক্ৰমান্বয়ে ভাৰতত এই মন ব্যপি পৰে। আনকি বেদৰ শব্দ বিলাক সংস্কৃততকৈ ইৰাণৰ আবেষ্টাৰ শব্দৰ লগতহে বেচি মিল।

মই ধৰ্ম্ম পুথি পঢ়িবলৈ প্ৰায়েই ইচ্ছুক নহও। কাৰণ ইয়াৰ মতবাদবোৰ মোৰ মনঃপুতঃ নহয়। বাহ্যিক ধৰ্ম্মৰ আৰম্বড়ে মোৰ অন্তৰ গলাব নোৱাৰে। মই ধৰ্ম্মৰ কিতাপ পৰিছিলো নজনাতো মুৰ্খৰ চিন বুলি। মই জানো যে ধৰ্ম্মৰ কিছুমান কথাই মানব জাতিক গভীৰ ভাবে বান্ধি ৰাখিছে। কিছুমান কথা পঢ়ি মই একো আনন্দ নাপাওঁ। কিন্তু কিছুমানে মোক মন্ত্ৰমুগ্ধ কৰি পেলায়। দুহেজাৰ বছৰবো আগেয়ে লিখা কিছুমান বৌদ্ধ আৰু খৃষ্ট ধৰ্ম্মৰ শব্দই মোক আলোকিত কৰি তোলে। সেই শব্দ বিলাকত চিৰস্থায়ী কিছুমান আদত সৌন্দৰ্য্য নিহিত আছে যিবিলাক কোনো সময়ৰ গতিয়েও ধৰি ৰাখিব পৰা নাই। সেই কাৰণে মই যেতিয়া চক্ৰেটীচে "নতুবা চীনৰ তীৰ্থ ভ্ৰমণ কাৰীৰ কাহিনী পঢ়ো নতুবা উপনিষদ আৰু ভাগবৎ গীতা পঢ়ো তেতিয়া মোৰ মন সত্যৰ সন্ধানত মগ্ন হয়। কাল্পনিক তথ্যত মোৰ মন আকৃষ্ট নহয়। প্ৰথমবাৰ পঢ়িলে মই একো বুজি নাপাও। দ্বিতীয়বাৰ পঢ়িলে কিছুমান গূঢ়তত্ত্ব মোৰ দৃষ্টিৰ গোচৰলৈ আহে। এইটো মোৰ মনত উদয় হয় যে মানসিক বা অলৌকিক শক্তি ধৰি মানুহেই মানুহক উচ্চ খাপলৈ নিব যত্ন কৰিছে। ধৰ্ম্ম আবিস্কাৰ কৰোতা সকল সচাঁকৈয়েই অলৌকিকতা সম্পন্ন ব্যক্তি আছিল। মানুহ হিচাবে তেওঁলোকক গণ্য নকৰিলে তেওঁলোকৰ সকলো গৌৰবান্বিত কৰ্ম্ম অথলে মোৰ চকুত চুৰমাৰ হৈ উৰি যায়। মোক কেৱল মানসিক বল আৰু কাৰ্য্যৰ কৌশলতাই মন আকৰ্ষণ কৰিব পাৰে। মানুহ হিচাবে নহয়।

ভাৰতীয় মনোবিজ্ঞান বৰ উচ্চ খাপৰ আৰু অৰ্থযুক্ত। এনে ধুনীয়া মন আকৰ্ষণ কৰা কল্পনা আৰু স্বপ্ন যি সকলে দাঙ্গি ধৰিছে

তেওঁলোক কিমান উচ্চ খাপৰ আৰু যে কোন সোনৰূপ খনিৰ ভাবৰ নিজৰা ধাৰাত তেওঁলোক সাতুৰি ফুৰিছিল ভাবি মই তবধ মানো।

বহু হিন্দুয়ে বেদক আগতে বাহিৰ কৰা ধৰ্ম্মশাস্ত্ৰ বুলি ভাবে। এই কথাটো আনৰ লগত নিমিলা দুৰ্ভগীয়া কথা। কাৰণ অতীজতে মানুহৰ মনৰ গতি নিশ্চয় আচৰিত ধৰণৰ আছিল। "বেদ" মানে "বিদ্" অৰ্থাৎ জনা। বেদ মানে সেই সময়ৰ কিছুমান চলিত কথাৰ সংকলন। লাহে লাহে ঈশ্বৰৰ তথ্য মানুহৰ মনত উদ্ভৱ হল। চিন্তাৰ তৰঙ্গমালাই মানুহক কল্পনা ৰাজ্যলৈ উটাই নিলে। প্ৰকৃতিৰ গুপ্ত ৰহস্যৰ কথা মানুহৰ মনত উদ্ভৱ হল। এনেকৈয়েই মানুহৰ মনক অন্বেষণৰ পথলৈ লৈ গল। যাওঁতে যাওঁতে বেদৰ অন্ত হল আৰু উপনিষদে দেখা দিলে।

"ঋক বেদেই" সৰ্ব্বপ্ৰথম বেদ। এই বেদ মানব জাতিয়ে সৰ্ব্বপ্ৰথমে তৈয়াৰ কৰে। ইয়াত পাও আমি মানব মনৰ বিকাশ আৰু কবিতাৰ প্ৰকাশ। ইয়াৰ ভিতৰত প্ৰকাশ পাইছে মনোমোহা প্ৰকৃতিৰ গুপুত ৰহস্যৰ বিবৰণ।

বিশ্বকবি ৰবীন্দ্ৰনাথে এই বেদৰ শ্লোক বিলাকক প্ৰথম মানব সভ্যতাৰ দোক্-মোকালিৰ উন্নত মানব মনৰ চিন্তাধাৰা বুলি বৰ্ণনা কৰিছে। বৈদিকযুগত সবল মানব মনৰ চিন্তা আৰু প্ৰকৃতিৰ ওপৰত থকা বিশ্বাস মাথোন। ক্ৰমান্বয়ে এই ভাবসমূহ আহি বেদ ৰচোঁতাৰ মানস পটত উদয় হ'ল আৰু কবলৈ ধৰিলে:—হে বিশ্বাস, তুমি আমাক সত্য উদঘাটন কৰাত সহায় কৰা। শেষত সৃজন কৰ্ত্তাৰ গুণানুকীৰ্ত্তন কৰিলে। মেক্সমিলাৰে তেওঁৰ "টু দি আননউন গদ" বোলা কবিতাটিত লিখিছে:—

"তেনেহলে হোৱা আৰু নোহোৱাৰ কোনো কথা নাই
( নতুবা ) মলয়া বতাহ আকাশতো বলা নাই
( তেন্তে ) কিহেনো আবৰিছিলে, আৰু নো বা ক'ত
( বাৰু ) কিহেনো আশ্ৰয় দিলে সীমাহীন মহাজলধিক ?

মৃত্যুও নাছিল তাত নতুবা গঠন
চিন্‌চাব নাই, একো, নাই ৰাতি দিন,
নিঃশ্বাস বিহীন মাথো এটি প্ৰতিকৃতি
নিজকে গঢ়িছে নিজে, নিজৰ প্ৰকৃতি।
এন্ধাৰে এন্ধাৰ মাথো কৰিছিলে গ্ৰাস
খেলি মেলি সৃষ্টি নাই একোৰে বিকাশ।
আকাৰ বিহীন মাথো কিবা এক শক্তি
মহান শকতি বলে নিজে লয় মুক্তি।
পাচত উদ্ভৱ হল হেপাহ শকতি
প্ৰথম বীজানুধাৰী তেজৰ উৎপত্তি।
ঋষি মুনি সকলোটি ভাবত মগন
নিৰ্বিকাৰতেই মগ্ন আত্মীয় স্বজন
অথালি পথালি ভাবে বহু ভিন্ন ৰেখা
অৰ্দ্ধে উৰ্দ্ধে বিৰাজিছে কৰে নিতে খেলা।
লভিছে জনম তাতে দিব্যশক্তি জ্যোতি
মহান মহিমাময়ী কৰ্ম্মৰ কান্দাৰী।
যি জনা সৰ্ব্বজ্ঞানী সকলোতে বিদ্যমান
সৃষ্টি, স্থিতি, লয় তেওঁ মহামূৰ্ত্তিমান
পৃথিবী উৎপত্তি হল পাচত দেৱতা
কোনে জানে মানুহৰ উৎপত্তি ক'ৰ পৰা।
( যদি ) সৃষ্টিৰ পাতনি মেলা তেওঁৱেই প্ৰথম
( তেন্তে ) সৃষ্টিৰ গাঁঠনি তেওঁতে ব'ল নে নব'ল ?
যি জনাৰ পলকে শাসে স্বৰ্গ আৰু মৰ্ত্ত
সকলো বিদিত তেওঁ মহাকাল সৰ্প।"

এনে ভাবধাৰাৰ চক্‌মকনিৰ পৰাই ভাৰতীয় দৰ্শন—আৰু জীৱনৰ চিন্তাধাৰা সভ্যতা আৰু সাহিত্য আদিৰ সোঁত বয়। তেওঁলোকৰ উচ্চ মহৎ চিন্তাৰ প্লাৱনে সমাজ প্লাবিত কৰি জাতিত-যুগীয়া কীৰ্ত্তি

থৈ গৈছে। অযুত হাজাৰ বছৰৰ মেৰপাকেও ইয়াৰ গতি পৰিবৰ্ত্তন কৰিব পৰা নাই। যদিও কোনো কাৰণত ইয়াৰ গতি কোচোমোচো খাই সোতোৰা পৰি গৈছে তথাপিও নিজৰ নিজস্ব ই এৰা নাই। জীৱন-ধাৰাৰ মানদণ্ড যদি গভীৰ নহল হয় তেন্তে এনে অনুভূতি কেতিয়াও মনত ধাৰণ কৰিব নোৱাৰিলেহেঁতেন! বৰ্ত্তমান সময়ত মানব সমাজক যুদ্ধ বিগ্ৰহে কালমূৰ্ত্তি ধৰি গ্ৰাস কৰিবলৈ আহি আছে।

এতিয়া বিজ্ঞানৰ যুগ। ধাতু গলাই যুদ্ধৰ থুনপাক খুলি পূব আৰু পশ্চিমীয়া দেশসমূহ ৰণোৎমত্ত। এতিয়া বিজ্ঞানৰ জোৱাৰ ভাট্টাত উটি আকাশমাৰ্গ লঙ্ঘন কৰি পৃথিবীৰ মানৱ সমাজক মোহিত কৰিছে ই সঁচাকৈয়েই মানব সভ্যতাৰ মহৎ অবদান। মানব সমাজ এনে গুণৰ পৰা হয়তো আগেয়ে বঞ্চিত আছিল।

পৃথিবীত বৰ্ত্তমানে দেখা দিয়া ধ্বংসৰ বিভিষিকাই মানব সমাজলৈ একোটা লক্ষ্য কৰিব লগীয়া মুহূৰ্ত্ত আনিছে। অৱসাদ আৰু আমোদত দিন যাপন কৰাতো এতিয়া মূৰ্খামিৰহে চিন।

মনোবিজ্ঞানত ভাৰতীয় বহু উন্নত কিন্তু সাংসাৰিক জীৱন যাত্ৰাত বহু পিচ পৰা। ঋক বেদৰ স্তোত্ৰৰ পৰাই আমি মানব মনৰ বিকাশ সাধন লক্ষ্য কৰিছো। সৰ্ব্বপ্ৰথম শ্লোকবিলাক ৰহস্যাবৃত্ত পৃথিবীক লৈ, আৰু প্ৰকৃতিৰ সৌন্দৰ্য্যক লৈ। কাল্পনিক দেৱ-দেৱতা পুৰুষ আৰু প্ৰকৃতিৰূপে মানব সমাজত লগ লাগে। পাচত মানব মনৰ গভীৰ চিন্তাধাৰায় প্ৰকৃতিৰ গুপুত ৰহস্য উদঘাটন কৰিবলৈ ব্যস্ত হৈ পৰিল।

ইয়াৰ উদ্দেশ্য কি? সৌৰজগতৰ বুকুত কিবা তথ্য নিহিত আছে নেকি? যদি আছে তেন্তে মানব কিভাবে এই তথ্যৰ লগত লিপ্ত আছে? অদৃশ্য আৰু দৃশ্য জগতৰ লগত আমি কিবা সম্বন্ধ স্থাপন কৰিব পাৰোণে? বা জীৱনৰ সত্যতা কিবা উপলব্ধি কৰিব পাৰোণে?

ভাৰতবৰ্ষত দেখা পাও ভাবৰ এই দুয়োধাৰা সমান্তৰাল ভাবে

কৰ্ম্ম আৰু ভাবৰ মাজত গৈ আছে। ভাৰতে সভ্যতাৰ জখলাত উঠি যাওঁতে জীৱনৰ উৎকৰ্ষ সাধন, কৃষ্টি, শিল্প, সাহিত্য, সঙ্গীত, নৃত্য, নাট্যমঞ্চ আদিত গভীৰভাবে সম্বন্ধ ঘটাইছে। বহু দেশে ভাবে ভাৰতীয় জীৱনৰ লক্ষ্য হোৱাটোভকৈ নোহোৱাটোকহে বেচিকৈ বুজায়। মই ভাবো যে ভাৰতীয় কৃষ্টি সভ্যতাই বেচিভাগ জীৱন ধাৰণৰ মহান উদ্দেশ্যকেই প্ৰমাণ কৰে।

বৌদ্ধ ধৰ্ম্মই অৱাস্তবতাৰ মাজেদি প্ৰকৃত ৰহস্য বিচাৰে আৰু অনিশ্চয়তাক এৰি মধ্য পথ বাচি লয়। নিৰ্ব্বাণ লাভৰ কথাও ৰহস্যেৰে আগুৰি থাকে। ইয়াৰ নিদৰ্শন স্বৰূপে চীনা সকলেই।

ভাৰতীয় চিন্তাধাৰাই জীৱনৰ স্তৰ বিলাকৰ কথা লক্ষ্য কৰিছে। জীৱনৰ দাসত্ব স্বীকাৰ কৰিবলৈ মান্তি হোৱা নাই। সত্য সন্ধানত সকলো শক্তি প্ৰয়োগ কৰিব দিছে। ফলাফলৰ কাৰণে আসক্ত হব দিয়া নাই। এনে পৃথক চিন্তাৰ সোঁতেই ভাৰতীয় চিন্তা আৰু দৰ্শনৰ মানদণ্ড।

ভাৰতীয় চিন্তা দুই এজন ব্যক্তিৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই। ই সকলো ভাৰতীয়ৰ জীৱন ধাৰণৰ পথত গভীৰভাবে জড়িত আছে। এই চিন্তা দৰ্শনেই জীৱনৰ উদ্দেশ্য কাৰণ আৰু লক্ষ্য বিচাৰি বিচাৰি শতঘাট প্ৰতিঘাট চেৰাই গৈ মহান শক্তিৰ ওচৰ চাপে। চীন আৰু ভাৰতৰ সত্য পথ অন্বেষণ অতীত জ্ঞান সমূহ জীৱনৰ সুখ আৰু আৰু দুখৰ পৰিপুৰক। ৭ বছৰ ধৰি চীন দেশত গৃহযুদ্ধৰ বিভিষিকাই যদিও তাণ্ডৱ নৃত্য খেলিলে তথাপি জীৱনৰ প্ৰতি থকা বিশ্বাস আৰু আনন্দ মনৰ পৰা এৰি নিদিলে। ভাৰতকে দুখ দৈন্যতাই জুৰুলা-জুপোৰা কৰিলে তথাপি মুখৰ হাঁহি এৰি নিদিলে।

# "জাতি-বিভাজন"

ভাৰতলৈ আৰ্য্যসকল আহোঁতে তেওঁলোকৰ জীৱনৰ পথত কিছুমান নতুন সমস্যাৰ উদ্ভৱ হল। এই সমস্যাবিলাক বিশেষকৈ ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশৰ।

পৰাজিত হোৱা দ্ৰাভিদিয়ান সকল সভ্যতাৰ জখলাত বৰ্গাওতে বহু পাচ পৰি গল। আৰ্য্যসকল দ্ৰাভিদিয়ান সকলতকৈ বহু গুণে শ্ৰেষ্ঠ। এই দ্ৰাভিদিয়ানৰ উপৰিও হাবিয়ে বননিয়ে বহু জন জাতিয় লোক ভাৰতত সিচঁৰিত হৈ আছিল। এওঁলোকৰ জয় পৰাজয়ৰ ব্যৱধানে জাতি বিভাজনৰ সূচনা কৰিলে। অৱশেষত বহু যুগৰ অৱসানত এই বিভাজনেই ভাৰতৰ বুকুত বৃহৎ কুঠাৰাঘাট কৰিলে। এই বিভাজন আনকি আগেয়ে আৰ্য্য আৰু দ্ৰাভিদিয়ান বিলাকৰ ভিতৰতো নাছিল। ই সমাজৰ পৰাই ক্ৰমান্বয়ে ওলাই আহিল। আৰু অতি নিম্ন স্তৰলৈ নামি গল। এই জাতি বিভাজনৰ কৰাল গ্ৰাসৰ পৰা চীনে কিন্তু ৰক্ষা পালে।

আৰ্য্য আৰু ইৰানীয়ান সকলৰ দিনত সমাজ ৪টা ভাগত বিভক্ত হৈছিল। অতীতৰ গ্ৰীচৰ সভ্যতাই দুৰ্ব্বলীক বলীৰ ওচৰত দাস আৰু দাসী কৰিছিল। ভাৰতত এনে ধৰণৰ দাস প্ৰথা নাছিল।

জাতি বিভাজন বোলোঁতে ভাৰতত আৰ্য্য ও অনাৰ্য্যক বুজাইছিল। পাচত দ্ৰাভিদিয়ান আৰু আদিমবাসী জনজাতি সকলৰ ভিতৰত সোমাল। আৰ্য্যসকল এক শ্ৰেণী হল। এওঁলোকৰ আন বিভাজন নহল। আৰ্য্য শব্দ হাল বাই মাটি চহাই খেতিবাতি কৰাৰ পৰাই উৎপত্তি হল। জীৱন ধাৰণৰ খেতি এটা ঘাই পথ। সেই কাৰণেই আৰ্য্যসকলক "কৃষক" বুলি অভিহিত কৰিছিল।

খেতিয়ক সকলেই সমাজত পুৰুহিত হৈছিল, সৈন্য হৈছিল, বনুৱা হৈছিল আৰু বণিকো হৈছিল। সমাজত বেলেগে কোনো পুৰুহিত নাছিল। প্ৰথমে জাতি ভাগ হল আৰ্য্য সকলক অনাৰ্য্য

সকলৰ পৰা পৃথক কৰি ৰাখিবলৈ। কৰ্ম্ম প্ৰসাৰণৰ লগে লগে জাতি বিভাজনৰো পৰিসৰ বাঢ়ি গল। কাৰ্য্য দক্ষতা আৰু পচন্দতাৰ ভিত্তিত কাৰ্যাভাৰ অৰ্পণ হোৱাত বিভিন্ন শ্ৰেণীয়ে জন্ম পালে। এয়েই জাতি বিভাজনৰ সুত্ৰপাত।

বিজয়ীদলে পৰাজিত দলৰ ওপৰত সমাজৰ বিভিন্ন কামত প্ৰভুত্ব বিস্তাৰ কৰিলে। শেষত কৰ্ম্ম অনুযায়ী শ্ৰেণী বিভক্ত হল। এই বিভাজনেই বৈশ্য, কৃষক, কাৰিক ও মহাজনৰূপে পৰিগণিত হল।

সাহপিত থকা সকল ক্ষত্ৰিয়ৰূপে গণ্য হল। এওঁলোকৰ কাম হল দেশক বাহিৰা শত্ৰুৰ পৰা ৰক্ষা কৰা আৰু ৰাজ্য শাসন কৰা। বুদ্ধিজীবি দল ব্ৰাহ্মণৰূপে পৰিগণিত হল। এওঁলোকে সমাজত পুৰুহিতৰ কাম কৰিব, সকলোৰে মঙ্গলৰ কাৰণে পুজাপাতল কৰিব দেশৰ আইন কানুন ৰচনা কৰিব আৰু সমাজত ভাল আদৰ্শ দাঙ্গি ধৰিব। এওঁলোকৰ তলত বনুৱাসকলে খেতি আৰু ঘৰুৱা যাবতীয় কাম কৰিব। এই সকলেই শেষত "শূদ্ৰ" বুলি পৰিগণিত হল। এই অনুপাতে কালক্ৰমত জাতি বিভাজনে ভাৰতত ভয়ঙ্কৰ মূৰ্ত্তি ধাৰণ কৰি ভাৰতৰ মেৰুদণ্ড ভাঙ্গি পেলালে।

সেই কাৰণেই গান্ধীজী অব্ৰাহ্মণ হৈ কোটি কোটি ভাৰতবাসীৰ শীৰ্ষস্থানীয় নেতাৰূপে অন্তৰ জয় কৰি জাতিবিভাজনৰ কৰাল গ্ৰাসৰ ভৰা পাৰতক মুক্ত কৰিবলৈ বিশেষ ভূমিকা গ্ৰহণ কৰিলে।

ভাৰতৰ সভ্যতা নিৰ্ভৰ কৰিছিল ধৰ্ম্মৰ ভিত্তিত। এই সভ্যতা কলা, কৃষ্টি, ভাষা সাহিত্য, দৰ্শনতত্ত্ব সকলোতে বিৰাজমান। পাৰ্চীয়ান, গ্ৰীক্, স্কেন্থীয়ান্, মুছলমান আদি বাহিৰা শত্ৰুৰ লেঠাৰি নিচিগা আক্ৰমণ ও শাসনেয়ো ভাৰতীয় সভ্যতাৰ ৰূপ পৰিবৰ্ত্তন কৰিব নোৱাৰিলে। এই সভ্যতাত নিশ্চয় কিবা মহান্ শক্তি নিহিত আছে।

৩০০০ (তিনি) হাজাৰৰো অধিক বছৰ ব্যাপি নানান আলৈ আহুকালৰ মাজতো এই সভ্যতা জীয়াই আছে। ই সচাঁকৈয়েই চিন্তি

কৰিব লগীয়া কথা। যদি কোনোবাই এই পৃথিবীত প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা অময়াপুৰী দেশ বিচাৰে তেন্তে মই আঙুলয়াই দিম ভাৰতক। কোনোবাই যদি প্ৰশ্ন কৰে যে কোন আকাশৰ তলত মানব জীৱনে মানসিক চিন্তাত সম্পূৰ্ণতা লাভ কৰিছিল তেন্তে মই উনুকীয়াই দিম ভাৰতকে। আকৌ যদি কোনোবাই মোক প্ৰশ্ন কৰে যে কোন দেশৰ ভাষা সাহিত্যৰ জীৱনী-মন্ত্ৰৰ প্ৰভাৱত গ্ৰীক ৰোমান্ আদি পৃথিবীৰ জাতি সমূহ প্ৰভাৱান্বনিত হৈছিল তাৰো উত্তৰত মই ভাৰতকেই দেখুৱাম।

Romain Ronald এ লিখিছে ঃ "অতীত আৰু বৰ্ত্তমানৰ মানব জীৱনৰ স্বপ্নধাৰাই অতি আপোনৰূপে যদি পৃথিবীৰ কোনো ভাগত বিৰাজ কৰিছে তেন্তে সেই ভাগেই হল ভাৰতবৰ্ষ।

## "উপনিষদ"

ভাৰতৰ আৰ্য্যসকলৰ চিন্তাধাৰাক প্ৰকাশ কৰিছে ৮০০ খৃঃ পূঃৰ পৰাই উপনিষদে। বহুদিন ধৰি আৰ্য্যসকল একেঠাইতে বসতি কৰাত এক নতুন সভ্যতা গঢ়ি উঠিল। এই সভ্যতা পুৰনি আৰু নতুনৰ সামঞ্জস্যত গঢ় ললে। পুজা পতলা পুৰণা পদ্ধতিতেই চলি থাকিল। বেদে সমাজত সন্মানিত স্থান অধিকাৰ কৰিলে। ইয়ো কিন্তু এক কণ্টকাকীৰ্ণ পৰিবেশতহে। অতীতক যাত্ৰাৰ নমুনা লৈ বৰ্ত্তমান আৰু ভবিষ্যতৰ পথত সমাজ আগবাঢ়ি গল।

সত্যৰ অন্বেষণ আৰু মনৰ বিকাশ সাধনৰ সাধাৰণ জ্ঞানেই হল উপনিষদ। বৰ্ত্তমানৰ বিজ্ঞান পদ্ধতিক সত্যৰ অণ্বেষণৰ কাৰণে যদিও লোৱা নাই তথাপি বৰ্ত্তমানৰ বিজ্ঞান পদ্ধতিও ইয়াৰ ভিতৰতেই স্বাতন্ত্ৰ-ভাবে মূলতে সোমাই আছে। উপনিষদৰ ভিতৰতো বিভিন্ন মত আছে। সেই মত দাৰ্শনিক বা শিক্ষাবিদৰহে। ব্যক্তিত্বকৈ কোনো ডাঙৰ হব নোৱাৰে বুলি উপনিষদে কয়। সমাজৰ বান্ধোন টনকীয়াল হলে মানুহৰ

মনৰ পবিত্ৰতা বৃদ্ধি পায়। মনে এই পবিত্ৰতাক বিচাৰি স্বৰ্গ আৰু মৰ্ত্তৰ নিভৃত কোনত প্ৰবেশ কৰে।

উপনিষদত মানবীয়তাৰ নিৰ্ম্মল পবিত্ৰতাই সৰ্ব্বান্তঃকৰণে বিৰাজ কৰিছে আৰু মহান্ আদৰ্শক বন্ধুৰূপে আকোৱালি ধৰিছে।

উপনিষদে গুৰু শিষ্য সম্বন্ধেৰে বিশ্বব্ৰহ্মাণ্ডৰ গুপুত ৰহস্য উদঘাটন কৰিছে। বিশাল কল্পনাৰ হেন্দোলনীত উপনিষদ ভৰপুৰ। সত্যৰ অন্বেষণত উপনিষদে দুৰাগম্য পথও অতিক্ৰম কৰিছে।

উপনিষদৰ আচল মূলবস্তু সত্যৰ অন্বেষণ। সত্যই সকলোকে আবৰি আছে। সত্যই স্বৰ্গৰ দুৱাৰ মুকলি কৰিছে। পোহৰৰ সন্ধান আৰু বুজাপৰায় হৈছে উপনিষদৰ অন্তৰৰ মূলবস্তু। অৱাস্তৱক আনি বস্তৱতাত পৰিণত কৰা, ব্যক্তিৰ অন্তৰ অন্ধকাৰৰ পৰা আনি পোহৰৰ সন্ধান দিয়া, মৃত্যুৰ পৰা আনি অমৰণশীলতাত ৰখা।

পবিত্ৰ সত্যক অস্থিৰমনে চিৰ জীৱনেই জুমি জুমি চাইছে, চিৰ-জীৱনেই বিচাৰি ফুৰিছে, চিৰ জীৱনেই প্ৰশ্ন কৰিছে।

কাৰ আদেশত মনে ওপৰত বহি পোহৰৰ সন্ধান কৰিছে। কাৰ নিৰ্দ্দেশত জীৱনে তাৰ প্ৰথম গতিত পদ নিক্ষেপ কৰিছে! কাৰ আদেশত মানুহৰ বাকশক্তিৰ বিকাশ হৈছে। কাৰ প্ৰচলনত চকু আৰু কাণে কাম চলাইছে। কিয় বাৰু বতাহ থিৰেৰে নাথাকে। মানুহৰ মন কিয় শান্তিত থাকিব নোৱাৰে। পানীয়ে কিয় তাৰ সোঁত বন্ধ কৰি ক্ষন্তেকো বৈ নাথাকে। এই বিলাক সন্ধানত কতো নম্ৰতা নাই। নম্ৰতা আছে কেৱল সৰ্ব্বশক্তিমান দেৱতাৰ ওচৰত। এই ভাবেহে মানুহৰ মনৰ ওপৰত বিজয়ী ডঙ্কা বজাইছে। মোৰ এই দেহা পুৰি ভস্ম হৈ উৰি যাব। মোৰ নিঃশ্বাস অমৰণ অভগন বায়ুৰ লগত মিহলি হব।

মই সো শৰীৰে বা মনেৰে বায়ুৰ লগত থাকিব নোৱাৰো। হে মন, এই কথা তুমি সদায় মনত ৰাখিবা। এটি পবিত্ৰ পুৱা দ্বিপ্তীমন্ত সুৰুজলৈ চাই এই দৰে প্ৰাৰ্থনা জনাই কয়ঃ—"হে সূৰ্য্য দেৱতা,

দ্বিপ্তীমন্ত মহান্! ময়ো সেই একেজনাৰেই যি জনে তোমাকে সৃষ্টি কৰিছে।”

আত্মা কি? ইয়াক বাখ্যা বা বর্ণনা কৰিব মোৱাৰি। জুইৰ নিচিনা জ্বলন্ত। যিহকে পোৱে তাকেই প্রকাশ কৰে। সকলো বস্তু একৰেই বিকাশ। এই ভাবৰ সমন্বয়ে মানৱতা আৰু প্রকৃতিৰ লগত আমাক ওতঃপ্রোতঃ ভাবে জড়িত কৰিছে। ব্যক্তিত্বৰ বিষদ তুলনাত এইটো বৰ মন কৰিব লগীয়া। ইন্দু-এড়ীয়ান সকলে এই বিলাক চেৰাই গই গণতন্ত্রৰ ভেত্তিত জাতি বিভাজনৰ সূত্রপাত কৰিলে।

উপনিষদত কিছুমান আচৰিত প্রশ্নাৱলী আছে। সেইবিলাক হল—“এই বিশ্ব ব্রহ্মাণ্ড কি? কৰ পৰা উৎপত্তি আৰু ক’ত বিলীন হব।” উত্তৰ হল—“স্বতন্ত্রত্বাতেই ইয়াৰ প্রকাশ, স্বতন্ত্রত্বাতেই ইয়াৰ স্থিতি আৰু স্বতন্ত্রত্বাতেই ইয়াৰ লয়। স্বামী বিবেকানন্দও এই পথৰেই অনুগামী।

আমি আজি আগৰ সেই ভাবধাৰাত পৰিপুস্ট হব নোৱাঁৰো। তথাপি উপনিষদৰ বানী সমূহে ভাৰতৰ জাতীয় জীৱনত মহান জীৱনী শক্তি প্রদান কৰিছে।

অতীত ভাৰতৰ চিন্তাৰ তৰঙ্গমালা ইৰানেদি বাগৰি গ্রীচত দার্শনিক আৰু চিন্তাশীল ব্যক্তিৰ ওপৰত প্রভাব বিস্তাৰ কৰে। প্লাটীনাচৰ পৰা ভাৰতৰ ৱহু আদর্শ চেণ্ট্ আগস্তাইনলৈ প্রসাৰিত হয়। ইয়াৰ পৰাই খৃষ্টীয় নীতিত প্রভাব পৰে।

অর্দ্ধ শতিকাত ইউৰোপে পুনৰ আবিষ্কাৰ কৰাত ভাৰতৰ দর্শনে ইউৰোপীয় দার্শনিকৰ ওপৰত প্রভাব পেলায়। মেক্সমিলাৰে এঠাইত লিখি থৈ গৈছে উপনিষদ অধ্যয়নেই মোৰ জীৱনৰ সান্ত্বনা। ইয়েই মোৰ মৃত্যুৰো লগৰীয়া হব।

স্কোপেনহুভাৰে অত তত লিখি গৈছে—স্বর্গীয় আৰু ৰহস্যাবৃত ভাবৰ অন্তৰালতেই আছে উপনিষদ আৰু বেদান্ত। মই এই উপনিষদ আৰু বেদান্তৰ ওচৰত ঋণী। আন এঠাইত মেক্সমিলাৰে লিখিছে—

"উপনিষদেই বেদান্তৰ দৰ্শন। ইয়াত মানবৰ চিন্তাৰ তৰঙ্গই উচ্চস্থান লাভ কৰিছে। মই বেদান্ত পঢ়ি ধুনীয়া সুখৰ মুহূৰ্ত্ত পাৰ কৰিছো। বেদান্তৰ লিখন মোৰ উষাৰ প্ৰথম কিৰণ আৰু উচ্চ পৰ্ব্বতৰ সুবিমল বায়ু। ই অতি সহজ, সৰল আৰু সহজে বুজি পোৱা।

জি দব্লিউ, ৰাছেলে আইৰিচ কবিতাত উপনিষদ আৰু ভাগবৎ গীতাক উপযুক্ত সন্মান প্ৰদৰ্শন কৰিছে। গয়থী, ওৱাৰ্ডচ ওৱাৰ্থ, ইমাৰশন আদি ইয়াৰ পৰা বিশেষভাবে উপকৃত হৈছে।

যিজন গ্ৰন্থকৰ্ত্তাই উপনিষদ আৰু ভাগবৎগীতা ৰচনা কৰিলে তেওঁ কিমান মহান কিমান দূৰদৰ্শী আৰু কিমান ধৈৰ্য্যশীল আছিল। ভগবৎ-গীতা আৰু উপনিষদত ঐশ্বৰীক শক্তিৰ প্ৰভাবেই সম্পূৰ্ণতা লাভ কৰিছে। মন আৰু শৰীৰৰ উপযুক্ততাইহে উন্নতি জখলাল আগুৱাব পাৰে বুলি উপনিষদে উল্লেখ কৰিছে। জ্ঞান আহৰণত, উপযুক্ত তথ্য উদ্‌ঘাটনত সংযম লাগিব, আত্ম-উৎস্বৰ্গ লাগিব। মনৰ অনুতাপেই হল ভাৰতীয় দৰ্শনৰ তপস্যা। এই ভাবৰ দৰ্শন ভাৰতত এতিয়াও আছে আৰু আগতো আছিল। ইয়াৰেই আলম লৈ মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ জনজাগৰনে মূৰ দাঙি উঠে।

এইটো কিন্তু দেখাদেখি কথা যে উপনিষদৰ তথ্য বুজি পাওতা লোক খুব কম সংখ্যক আছিল। উৎপন্ন কৰিব পৰা লোক যথাৰ্থতে কম আৰু লাহে লাহে হে সংখ্যা বৃদ্ধি পায়। এনেকুৱা লোকেই শেষত স্থায়ী সভ্যতাৰ বিকাশ সাধন কৰে। এই অলপীয়া সংখ্যক সৃজন-কাৰীৰ দল নহলে সমাজত কোনো এটা সভ্যতাই তিষ্ঠিব নোৱাৰে। ইয়াৰ অবিহনে মানব সমাজ অচিৰেই মৰহি শুকাই যাব। সৃজন-কাৰীৰ অলপীয়া সংখ্যক দলটো যদি সৰহ সংখ্যক দলৰ লগত সমন্ধত আঁতৰি যায় তেনেহলে সমাজৰ একতাত বিশৃঙ্খলাই আহি দেখা দিয়ে। সেই বিশৃঙ্খলাই সৃজনকাৰী দলটোক ক্ৰমান্বয়ে নোহোৱা কৰি সমাজ মৰুভূমিলৈ পৰিণত কৰে।

উপনিষদে কোন সময়ত কিভাবে সমাজত প্ৰভাব পেলাইছে তাক

ঠাৰকৰা টান। মই অনুমান কৰিছো যে চিন্তাশীল ব্যক্তি আৰু চিন্তা কৰিব নোৱাৰা ব্যক্তিৰ মাজত ব্যৱধান খুব কম আছিল। সংগঠন মূলক সমাজত বসতি কৰোঁতে কৰোঁতে সকলো ব্যক্তিয়েই গঠনমূলক হ'ল আৰু ইয়েই মনৰ বিকাশ সাধনত সকলোৱে অবিহনা যোগালে এনে হোৱাত সমাজত একতা আহি পৰিল আৰু দন খৰিয়ালৰ অৱসান ঘটিল।

এইদৰেই ক্ৰমাগত চিন্তাৰ সোঁতে অৰ্থনৈতিক, দাৰ্শনিক আৰু নাস্তিকতাবাদৰ ভেতীত শক্তিশালী তৰঙ্গৰ হেন্দোলনি তুলি বৌদ্ধধৰ্ম্ম, জৈন ধৰ্ম্ম, বিখ্যাত সংস্কৃত ৰামায়ণ আৰু মহাভাৰতৰ অৱতাৰনা কৰে!

এটা যুগে আন এটা যুগৰ ওপৰত এনেকৈয়েই প্ৰভাব বিস্তাৰ কৰি আবহমান কালৰ পৰা আজিলৈকে ধৰ্ম্মস্থান আৰু কৰ্ম্মস্থানত শক্তি নিৰূপণ কৰিছে। এনেকুৱা যুগৰ শেষ অৱসান ঘটিছিল খৃষ্টৰ পাচত ৪ৰ্থ শতাব্দীত বাচক্ বৰ্ণীয়া বিখ্যাত লিখক সকলৰ লিখনিত।

আমাৰ আজি দুৰ্ভাগ্যৰ বিষয় হল এই যে আমি পুৰণা পৃথিবীৰ সাহিত্য বিলাক হেৰুৱালো। এইটো কিয় এনে হল? কাৰণ আগৰ পুৰণা কথা বিলাক লিখি ৰখা হৈছিল খেজুৰৰ পাতত আৰু "ভূৰজা" পাত্ৰত। পাচতহে কাগজত লিখা হয়। সেই লিখা আজি কালি পোৱা নাযায়। এতিয়ালৈকে প্ৰায় ৫০ কি ৬০ হাজাৰ সংস্কৃত আখৰৰ পুথি আবিষ্কাৰ হৈছে। এনেকুৱা ভাৰতৰ বহু পুৰণা পুথি ভাৰতত পোৱা নাযায়। সেই বিলাক কিতাপৰ ভাঙনি চীন আৰু তিব্বতীয় ভাষাত পোৱা গৈছে। মোৰ বোধেৰে এই অমূল্য গ্ৰন্থসমূহ সংগ্ৰহ কৰিবলৈ এটা মজবুত দল আৰু এটা বুজন আচনিৰ দৰ্কাৰ।

এই পুথিসমূহ ধৰ্ম্ম মন্দিৰ, বৌদ্ধ মন্দিৰ আৰু মানুহৰ ঘৰে ঘৰে বিচাৰিলে নিশ্চয় কৃতকাৰ্য্য লাভ কৰিব পাৰিব। এই পুথি সমূহ আবিষ্কাৰ কৰিব পাৰিলে জাতিৰ আৰু দেশৰ এটা মহৎ কাম সাধন হব।

পুৰণি পুথিৰ্ক অনুবাদে ভাৰতৰ সামাজিক আৰু প্ৰশাসনলৈ বহু

মূল্যবান আদৰ্শ দাঙ্গি ধৰিব। সঘনে ধ্বংশৰ মুখত পৰি আৰু ক্ৰমান্বয়ে জহি খহি গৈয়ে যে ৫০।৬০ হাজাৰ সংস্কৃতৰ পুথি উদ্ধাৰ হৈছে ই বৰ গৌৰৱৰ কথা। ভাৰত যে অসাধাৰণ ভাবে কাব্য, শিল্প, সাহিত্য আৰু দৰ্শনত বহু উন্নত তাকেই প্ৰমাণ কৰে।

হেৰুৱা কিতাপৰ ভিতৰত উপনিষদৰ সময়ত লিখা অৰ্থনৈতিক পুথি সমপূৰ্ণ নোহোৱা হল। ইয়াৰ বিষয়ে কেৱল বাদানুবাদে চলি আছে। অৰ্থনৈতিকও ভাৰতে যে বহু দিনৰ পৰাই চৰ্চা কৰি আহিছে তাত কোনো সন্দেহ নাই। ৪ৰ্থ শতাব্দীত লিখা কৌটিল্যৰ বিখ্যাত অৰ্থশাস্ত্ৰই ভাৰতৰ মুখ্য দৰ্শন দাঙ্গি ধৰিছে। সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক বিষয়ে আমি একো নাজানো কিন্তু এইটো ভালকৈ বুজিব পাৰি যে ৰাজনৈতিক বিদ্ৰোহ আৰু সামাজিক লটি ঘটিয়ে সেই সময়ত বিশ্বাসৰ অনিশ্চয়তাৰে মানুহৰ মন ভাবাপন্ন কৰিলে আৰু সত্য সন্ধানত আগুৱাই নিলে।

বৌদ্ধধৰ্ম্ম উত্থানৰ সময়ত পাৰশ্যৰ সম্ৰাট আহি সিন্ধু উপত্যকা পায়হি। ৪ৰ্থ খৃঃ পূঃ ৰ শেহত এলেক্‌জেন্দাৰে ভাৰতৰ উত্তৰ পশ্চিম কোনত আক্ৰমণ কৰে। এই আক্ৰমণে স্থায়ীভাবে ভাৰতত একো ৰাখিব নোৱাৰিলে। এলেক্‌জেন্দাৰৰ মৃত্যুৰ পাচত চন্দ্ৰগুপ্ত মৌৰ্য্যই বিখ্যাত মৌৰ্য্য ৰাজ্য গঢ়ি তোলে। এই মৌৰ্য্য ৰাজ্য মধ্য ভাৰতত শক্তিশালী হৈ পৰে।

অতীত ভাৰত গ্ৰীচৰ দৰে কিছুমান সৰু সৰু ৰাজ্য সমাপ্তি আছিল। এই সৰু সৰু ৰাজ্যবিলাকে ইখনে সিখনৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ চেষ্টা চলায়।

বুদ্ধদেৱৰ দিনত মধ্যভাৰত আৰু উত্তৰ ভাৰতত চাৰিখন প্ৰধান প্ৰধান ৰাজ্য আছিল। এই ৰাজ্য কিখনৰ ভিতৰত গান্ধাৰা আফ্‌গানিস্থানৰ কিছু অংশত পৰিছিল।

অতীত ভাৰত আৰু গ্ৰীচ বহু বিষয়ত পাৰ্থক্য আৰু বহু বিষয়ত মিলো আছিল। এথেনৰ "পীলপানেশীয়ানৰ" যুদ্ধ ভাৰতৰ মহাযুদ্ধৰ

লগত মিলে। এই যুদ্ধই এথেনীয়ান গণতন্ত্ৰ ধ্বংশ কৰে। "হেলেন" নগৰৰ ধ্বংশই মনত সন্দেহ আৰু নিৰাশাৰ ক'লা যবানিকা তৰে। মহাভাৰতৰ যুদ্ধৰ পাচৰ সময়চোৱাত ভাৰতত মানসিক বিশৃঙ্খলা ঘটে। আৰু এই বিশৃঙ্খলা গ্ৰীচৰ সেই "হেলেনিক" সময়ৰ বিশৃঙ্খলাৰ কথাকেই সোঁৱৰায়।

এই উপমায় আমাক বেচি দূৰলৈ নিনিয়ে। যদিও গ্ৰীচৰ সভ্যতা প্ৰতিঘাটৰ পৰা মুক্ত নহল তথাপি ভূমধ্যসাগৰৰ উপকুল বিয়পি ৰোম আৰু ইউৰোপত গ্ৰীচৰ সভ্যতা কেইবা শতাব্দি ধৰি চলি থাকিল।

ভাৰতবৰ্ষ ৰামায়ণ আৰু মহাভাৰতৰ পৰাই বুদ্ধদেৱৰ সময়লৈকে বহু হাজাৰ হাজাৰ বছৰৰো লেখত লবলগীয়া উন্নতিৰ পথত আগুৱাই গল। দৰ্শন, সাহিত্য, নাট্যমঞ্চ, গণিত শাস্ত্ৰ, শিল্প কৃষ্টি আদিত বিশেষভাবে ভাৰত আগুৱাই গল। খৃষ্টীয়াণ শকৰ আৰম্ভনিৰ লগে লগেই পূব সাগৰৰ দ্বীপ পুঞ্জত ভাৰতে উপনিবেশ স্থাপন কৰি ভাৰতৰ কৃষ্টি সভ্যতাৰ প্ৰভাব বিস্তাৰ কৰে।

অতীজতে ভাৰতত ৰামায়ণ আৰু মহাভাৰতে বহু হাজাৰ বছৰ ধৰি সমাজত প্ৰভাব বিস্তাৰ কৰিছিল। ইয়াত ইন্দু এড়ীয়ান সকলৰ জয় আৰু গৃহযুদ্ধৰো বৰ্ণনা আছে।

মহাভাৰত আৰু ৰামায়ণে ভাৰতত যি ভাবে প্ৰতিভা বিস্তাৰ কৰিছে আন দেশৰ পুথিয়ে এনেভাবে আকৃষ্ট কৰিব পাৰিছেনে নাই মই নাজানো। মহাভাৰত আৰু ৰামায়ণে ভাৰতত শিক্ষিতৰ পৰা অশিক্ষিতলৈকে অন্তৰত গভীৰ ছাঁ পেলাইছে মনৰ বিকাশ সাধন কৰিছে আৰু সভ্যতাৰ পোহৰেৰে সকলোকে আকোৱালি আছে।

মই সৰু কালতে পুজনীয় সকলৰ মুখত ৰামায়ণ আৰু মহাভাৰতৰ সাধু শুনিছো। এই সাধু বিলাক ইউৰোপৰ আৰু আমেৰিকাৰ সাগৰৰ অপেশ্বৰীৰ সাধুৰ নিচিনা। ই দুঃসাহসিক সাগৰ যাত্ৰাৰে নতুন নতুন ঠাই আবিস্কাৰ কৰাৰ নিচিনা। এনে সাধু আৰু অভিনয় সমূহত যোগ দি মই বৰ আঁনন্দ উপভোগ কৰিছো। অতীতৰ এই কল্পিত

কথাই মোক কল্পনা ৰাজ্যলৈ লৈ গৈছিল। এই বিলাক সাধু কথা আৰবীয়ান নাইট আৰু পঞ্চতন্ত্র কথাৰ নিচিনা।

সময়ৰ লগে লগে মোৰ মানস পটত বহু দৃশ্যই ভূমুকি মাৰিলে। অপেশ্বৰীৰ সাধু। ভাৰত ইউৰোপ আৰু গ্রীচৰ আগৰ দিনীয়া কল্পিত সাধু। চাৰ্‌লক্স হমাৰৰ কথা; ৰজা আৰ্থাৰ আৰু তেওঁৰ যুদ্ধাৰু বীৰ সকলৰ কথা; ঝাঞ্ছীৰাণীৰ কথা, ভাৰতৰ চিপাহী বিদ্রোহৰ কথা, আৰু ৰাজপুত সকলৰ বীৰত্বৰ কথা মোৰ মনত জিলিকি উঠিল।

ভাৰতৰ আগৰ দিনীয়া কাল্পনিক কথা মহাভাৰত আৰু ৰামায়ণতেই সীমাবদ্ধ হৈ থকা নাই। ই বৈদিক সময়ো অতিক্রম কৰিছে। আৰু নানান আকৃতি আৰু প্রকৃতিৰে সংস্কৃত সাহিত্যক সাৱতি ধৰিছে। কৰি আৰু নাটাকাৰ সকলে এই সাহিত্যৰ বলতেই বলীয়ান হৈ বহু আমোদ প্রমোদৰ ৰসাল সাহিত্যৰে কাব্য ৰচনা কৰিছে।

অশোক গছে হেনো সুন্দৰী ৰমাণীৰ পৰশ পাই ফুলি জকমকাই উঠিল। কামদেৱ আৰু তেওঁৰ সহধৰ্ম্মিণী ৰতিৰ কথা আমি পঢ়িছো। তেওঁলোকৰ বন্ধু বসন্ত। কামদেৱে তেওঁৰ মহাশক্তিশালী পুষ্পবাণ শিবৰ ওপৰত নিক্ষেপ কৰাত শিবৰ তৃতীয় চকুৰ দৃষ্টিত পৰি নিজেই ভস্মিভূত হয়। পাচত প্রাণপালে অশৰীৰী ৰূপেহে।

গ্রীক্, চীন আৰু আৰসকলৰ নিচিনাকৈ ভাৰতে ইতিহাস লিখি থোৱা নাছিল। ভাৰতৰ ইতিহাস মানুহৰ মুখে চলিছিল। এনেদৰে চলাত কিছুমান ঘটনা বিশৃঙ্খলাৰ সম্মুখিন হল। কাশ্মিৰৰ কলহনা ৰাজতৰঙ্গিনীকহে সেই সময়ৰ লিখিত বুৰঞ্জী বুলিব পাৰি।

বৰ্ত্তমান বিজ্ঞানৰ মেৰপাকে আৰু আধুনিক পৃথিবীৰ কৰ্ম্ম পদ্ধতিয়ে কাল্পনিক কথা বিলাক লৰবলৈ অমাস্তি হৈছে। অলপতে ভাৰতত "বিক্রম সম্বৎ" কেলেণ্ডাৰ প্রচলিত হৈছে।

এই কেলেন্দাৰে নিৰ্দ্দিষ্ট দিন গণনা কৰি লোৱাত বাক্ বিতণ্ডাৰ সৃষ্টি কৰিছে। ইয়াৰ গণনা সূৰ্য্য সম্বন্ধীয় কিন্তু মাহ বিলাক চন্দ্র

সম্বন্ধীয়। এই কেলেণ্ডাৰৰ মতে ১৯৪৪ চনৰ শেষৰ মাহটো হল এপ্রিল। এই কেলেণ্ডাৰ বিক্রমাদিত্য ৰজাৰ লগত জড়িত। বিক্রমাদিত্যৰ নামানুযায়ী এই কেলেণ্ডাৰৰ নাম বিক্রম সম্বৎ ৰখা হৈছে। বিক্রমাদিত্য ভাৰতৰ এজন নামজ্বলা ৰজা।

বিক্রমাদিত্যক বহুদিনৰ পৰাই জাতীয় বীৰ হিচাবে গণ্য কৰা হৈছে। এওঁ এজন সুবিখ্যাত শাসক আৰু বহিঃ শত্রুৰ আক্রমণ প্রতিৰোধ কৰি চিৰ স্মৰণীয় হৈ আছে। ইয়াতোকৈয়ো তেওঁৰ যশস্যা বিয়পি আছে তেওঁৰ সভাত থকা শিক্ষাবিদ, সাহিত্যিক সুগায়ক আৰু কলাকাৰ আদি নব ৰত্নক লৈ।

চিঙ্গাৰৰ নিচিনাকৈ চিন বা উপাধিহে আছে। এই বিক্রমাদিত্য নাম ধাৰি বহু শাসক আবির্ভাব হল। আচল বিক্রমাদিত্যক বাচি উলিওৱাত বহু বিশৃঙ্খলাই দেখা দিলে।

কোন এই বিক্রম আৰু ক'ত আছিল এই কথা ইতিহাসে ঠাৱৰ কৰিব পৰা নাই। ৫৭ খৃঃ পূঃ ত এনে কোনো শাসন কর্ত্তা পোৱা নাযায়। ৪র্থ খৃষ্টাব্দত উত্তৰ ভাৰতত বিক্রমাদিত্য নামে এজন ৰজা আছিল। এওঁ হুনবিলাকৰ লগত যুঁজি পৰাস্ত কৰি খেদি পঠায়। এওঁৱেই বিক্রমাদিত্য যি জনাৰ ৰাজ সভাত "নব ৰত্ন"ই বিৰাজ কৰিছিল।

প্রকৃততে ভাৰতৰ বুৰঞ্জীয়ে প্রকাশ পাইছে বৃটীশ শাসক সকল অহাৰ পৰায়।

অতীতৰ সেই কাল্পনিক দেৱ দেৱতাক মই বিশ্বাস নকৰো। সেই অতীজৰ দিনবিলাকত প্রকৃতিৰ লগত মানুহৰ মিলন আৰু বিশ্ব-ব্রহ্মাণ্ডৰ ৰহস্যৰ লগত মানুহৰ মন কল্পনাত জাঁহি ফুৰিছিল। সেই দিনত কাল্পনিক দেৱ দেৱতা সৰগৰ পৰা নামি আহি পৃথিৱীত লগ লাগিছিল। কৈল্যাশ আৰু হিমালয়ৰ দেৱ দেৱতা আহি মানুহৰ লগত লীলা খেলা কৰিছিল। অলিম্পাচৰ দবে মানুহক শান্তি ও দিছিল।

লাহে লাহে সেই বৈদিক যুগ আৰু সেই দেৱ দেৱতাৰ যুগৰ অবসান হল। আৰু ভয়াবহ বিজ্ঞান আৰু দৰ্শনৰ দিন আৰম্ভ হল। মানুহৰ মনত এতিয়া কল্পনাৰ প্ৰতিমূৰ্ত্তি বিলাক বাস্তৱৰ বুকুত ওপঙি ফুৰিছে। সুখ দুখ আশা আৰু কামনা আজিও অস্থায়ীৰূপে বিৰাজ কৰিছে। ইয়াকে লৈয়েই কলাকাৰ কবি সকলে কল্পনাৰ অময়াপুৰী ৰচনা কৰি আলাসতে চাং পাতিছে।

এফ্ ডব্লিউ বেইনে তেওঁৰ ভাৰতীয় গল্পৰ সৰু কিতাপখনিত বহু স্বপ্নপুৰী আৰু কাল্পনিক সাধু লিখিছে। চন্দ্ৰৰ দ্বাদংশ অৰ্থাৎ "দি দিজিট অৱ দি মুন" এগৰাকী মাইকী মানুহৰ সৃষ্টি বুলি উল্লেখ কৰিছে।

ব্ৰহ্মাই মাইকী মানুহ সৃষ্টি কৰিবলৈ উদ্যত হল। তেওঁ দেখিলে যে মানুহক সৃষ্টি কৰোঁতে সৃষ্টিৰ সামগ্ৰী সকলো শেষ হৈ গল। কোনো লাগতীয়াল সৃষ্টিৰ মূল পদাৰ্থ নৰল। তেওঁ বৰ বিপাঙ্গত পৰি গভীৰ চিন্তা কৰি তলত উল্লেখ কৰা ভাবে সৃষ্টি কৰিব ধৰিলে।

তেওঁ চন্দ্ৰৰ পৰা ললে গোলাকৃতি, লতাৰ পৰা ভাঁজ, লতাৰ সুতাৰ পৰা মেৰ, বনৰ পৰা কঁপনি, খাগৰিৰ পৰা মিহিকন, ফুলৰ পৰা ললে জকমকনি আৰু পাতৰ ললে ভাৰ শূন্যতা। ইয়াৰোপৰি হাতীৰ স্নুৰৰ পৰা ললে পিলপিলনি, হৰিণীৰ ললে চকুৰ চাহনি, মৌমাখিৰ পৰা ললে চুলিৰ জোপোহা, সূৰ্য্যৰ পৰা ললে সোনালী কিৰণ, মেঘৰ পৰা ললে উচুপনি, বতাহৰ চঞ্চলতা, শহাপহুৰ ভয়, মৈৰাৰ মিছাভেম, ভাটৌৰ বুকুৰ কোমলতা, মৌৰ ললে মধু, বাঘৰ নিষ্ঠুৰতা, জুইৰ পৰা ললে গলাৰ পৰা শক্তি, বৰফৰ চেচা, ভগাহাড়ৰ মৰ্মৰণি, কুকীলৰ কণ্ঠস্বৰ, বগলীৰ ভণ্ডামী, চক্ৰবাটৰ পতি অনুৰাগ এই সকলো বিলাক পদাৰ্থ লৈ ব্ৰহ্মাই মাইকী মানুহক সৃষ্টি কৰিলে।